**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 08-03-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

-----------------------------

***Headlines***

১। বিধানসভা নিৰ্বাচনৰ বাবে বিজেপি আৰু কংগ্ৰেছকে ধৰি ভিন ভিন ৰাজনৈতিক দলৰ নিৰ্বাচনী তৎপৰতা।

২। ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী, উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতু লঘু যানবাহনৰ চলাচলৰ বাবে মুকলি।

৩। অসমতো বিভিন্ন কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদযাপন।

*আৰু*

৪। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদত ভাৰত নিউজিলেণ্ডৰ মাজত ফাইনেল খেল।

ooooooooo

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যত ৰাজনৈতিক দলসমূহৰ মাজত নিৰ্বাচনী তৎপৰতা পৰিলক্ষিত হৈছে। বিজেপিয়ে জন আশীৰ্বাদ যাত্ৰাৰ জৰিয়তে জনতাৰ কাষ চপাৰ চেষ্টা কৰাৰ সমান্তৰালকৈ বিৰোধী দল কংগ্ৰেছে সময় পৰিৱৰ্তন যাত্ৰাৰ জৰিয়তে ভোটাদাতাক আকৰ্ষণৰ বাবে চেষ্টা চলাইছে। বিজেপিয়ে জন আশীৰ্বাদ যাত্ৰাৰ সপ্তম দিনত আজি মাৰ্ঘেৰিটা, ডিগবৈ আৰু মাকুম সমষ্টিক সামৰি ল'ব। এই যাত্ৰাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰিব। কালি মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নেতৃত্বত শাসকীয় দলটোৰে গোলাঘাট জিলাৰ সৰুপথাৰ, গোলাঘাট, খুমটাই আৰু দেৰগাঁও সমষ্টিক সামৰি জন আশীৰ্বাদ যাত্ৰা কৰে। সৰুপথাৰৰ পৰা আৰম্ভ হোৱা এই যাত্ৰাত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, সাংসদ কামাখ্যা প্ৰসাদ তাছা, সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকন আদিয়েও অংশগ্ৰহণ কৰে। বিয়লি মেৰাপানীৰ ৰংগস্থলীত অনুষ্ঠিত এখন জনসভাত মুখ্যমন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰে।

প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে কালি যোৰহাটত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সাংসদগৰাকীয়ে যোৰহাট লোকসভা সমষ্টিত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে জনসাধাৰণৰ সৈতে মত বিনিময় কৰে।

ইপিনে, ওদালগুৰিত কালি বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে দিছপুৰ চলো যাত্ৰাত অংশগ্ৰহণ কৰে। যোৱা ২৫ ফেব্ৰুৱাৰীত আৰম্ভ হোৱা দিছপুৰ চলো যাত্ৰাত অংশগ্ৰহণ কৰা লোকসকল কালি তামুলপুৰত উপস্থিত হয়।

০০০০০০০০০

ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতুখন আজি লঘু যান-বাহনৰ চলাচলৰ বাবে মুকলি কৰা হয়। ৩ হাজাৰ কোটি টকাৰো অধিক পৰিমাণৰ পুঁজি ব্যয়সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দলংখনে উত্তৰ-গুৱাহাটীত থকা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান তথা সাংস্কৃতিক স্থানসমূহলৈ যাতায়াত সুচল কৰি তোলাৰ লগতে উত্তৰ গুৱাহাটীক মহানগৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰিব। উল্লেখযোগ্য যে যোৱা ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দলংখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ পাছত পদচাৰীসকলৰ বাবে মুকলি কৰি দিয়া হৈছিল।

০০০০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস। এই দিনটোতে ৰাষ্ট্ৰীয়, জাতিগত, ভাষিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সীমাৰ পৰিধি নেওচি মহিলাসকলক তেওঁলোকৰ সাফল্যৰ বাবে সন্মান জনোৱা হয়। এই বছৰৰ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ বিষয়বস্তু হৈছে- GIVE TO GAIN অৰ্থাৎ দিয়া আৰু লাভ কৰা। এই বিষয়বস্তুৰ জৰিয়তে সৰ্বাত্মক বিকাশ আৰু অংশগ্ৰহণৰ দ্বাৰা পাৰস্পৰিক সাহচৰ্যৰ জৰিয়তে মহিলাসকলৰ সৱলীকৰণ নিশ্চিত কৰিবলৈ প্ৰয়াস কৰা হৈছে। সমাজৰ প্ৰতিটো কামত সক্ৰিয় অংশগ্ৰহণ আৰু অংশীদাৰিত্বৰে মহিলাসকল স্বাৱলম্বী আৰু শক্তিশালী হোৱাৰ ওপৰতো এই বিষয়বস্তুৱে গুৰুত্ব আৰোপ কৰিছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে নাৰী সমাজক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে সহনশীলতা আৰু স্বপ্নৰে দেশ গঢ়ি তোলা প্ৰতিগৰাকী নাৰীলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই দিৱস উপলক্ষে আজি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ঠায়ে ঠায়ে মহিলাসকলৰ মাজত সজাগতামূলক আলোচনা, প্ৰতিযোগিতা, স্বাস্থ্য শিবিৰ আদিৰ আয়োজন কৰা হৈছে। দিৱসৰ সৈতে সংগতি ৰাখি কোকৰাঝাৰ বালিকা মহাবিদ্যালয়ত কালি বেটী বচাও, বেটী পঢ়াও অভিযানৰ অংশ হিচাপে মহিলা সবলীকৰণৰ কাৰ্যসূচী অনুষ্ঠিত হয়। চিৰাং জিলা সমাজ কল্যাণ বিভাগে নাৰী দিৱসৰ সৈতে সংগতি ৰাখি  কালি জিলাখনৰ কাশীকোত্ৰাত বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত জিলাখনৰ আয়ুক্ত যতীন বৰা, জিলা গ্ৰামোন্নয়ন প্ৰকল্প সঞ্চালক অৰবিন্দ ৰাভাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ধুবুৰী জিলাৰ সামাজিক সংগঠন নৃত্যাংগনৰ উদ্যোগতো আন্তৰ্জাতিক নাৰী দিৱস পালন দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হ'ব। অনুষ্ঠানত জিলাখনৰ কেইবাগৰাকীও মহিলাক সম্বৰ্ধনা জনোৱা হ'ব। নলবাৰীতো ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ আৰু মাই ভাৰত কেন্দ্ৰই যুটীয়াভাৱে আন্তৰ্জাতিক নাৰী দিৱস পালন কৰিছে। নলবাৰী গৰ্ডন খেলপথাৰত আয়োজন কৰা অনুষ্ঠানত অঞ্চলটোৰ মহিলাসকলৰ মাজত বিভিন্ন খেল ধেমালি আয়োজন কৰিছে।

০০০০০০০০০

আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে আজি যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে দেশজুৰি অস্মিতা লীগৰ আয়োজন কৰিছে। ইয়াৰ জৰিয়তে তৃণমূল পৰ্যায়ৰ মহিলা এথলিটসকলক এখন প্ৰতিযোগিতামূলক মঞ্চ প্ৰদান কৰি মহিলা সৱলীকৰণৰ লক্ষ্য লোৱা হৈছে। এই লীগৰ জৰিয়তে সমাগত দিনবোৰত দেশত ক্ৰীড়া সংস্কৃতি গঢ়ি

তুলিবলৈ আৰু শক্তিশালী কৰি তুলিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্বপ্নক বাস্তৱায়িত কৰা হ'ব। এই প্ৰতিযোগিতা ছোৱালীবোৰৰ বাবে মুঠ তিনিটা শাখাত অনুষ্ঠিত হ'ব। ১৩ বছৰ, ১৩ৰ পৰা ১৮ বছৰৰ ভিতৰত আৰু ১৮ৰ বছৰৰ উৰ্ধ- এই তিনিটা শাখাত এথলিটসকলে ক্ৰমে ১০০ মিটাৰ, ২০০ মিটাৰ আৰু ৪০০ মিটাৰৰ দৌৰত অংশগ্ৰহণ কৰিব। গ্ৰামাঞ্চল আৰু সৰু চহৰৰ ছোৱালীসকলক ক্ৰীড়াক কেৰিয়াৰ হিচাপে লোৱাৰ বাবে উৎসাহিত কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

অসমৰো বিভিন্ন স্থানত আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ লগত সংগতি ৰাখি অস্মিতা শীৰ্ষক লীগ আৰু অন্যান্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰ জিলা ক্ৰীড়া বিষয়া কাৰ্য্যালয় আৰু মাই ভাৰতৰ জিলা যুৱ বিষয়াৰ যৌথ উদ্যোগত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক পিয়লি ফুকন ষ্টেডিয়ামত পুৱাৰে পৰা বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। মাই ভাৰত কেন্দ্ৰ গোৱালপাৰাৰ সহযোগত দুধনৈ হাইস্কুল খেলপথাৰতো অস্মিতা লীগৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড় জিলাৰ টিংখাং উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অস্মিতা লীগৰ বিভিন্ন প্ৰতিযোগিতাৰ লগতে পৰম্পৰাগত খেলসমূহো অনুষ্ঠিত হৈছে।

ooooooooo

অসম চৰকাৰৰ প্ৰতিটো বিভাগত এতিয়াৰে পৰা মহিলা কৰ্মচাৰী সকলৰ সুৰক্ষাৰ বাবে She box ৰ ব্যৱস্থা অন্তৰ্ভুক্ত হ'ব। ইয়াৰ জৰিয়তে মহিলা কৰ্মচাৰীসকলে কাৰ্য্যালয়ত সন্মুখীন হোৱা নিৰ্যাতনৰ ঘটনাৰ অভিযোগ ততালিকে দিব পাৰিব। নিজৰ পৰিচয় ৰাজহুৱা নকৰাকৈ ভুক্তভোগীয়ে অনলাইনৰ জৰিয়তে অভিযোগ দিব পাৰিব। প্ৰতিটো বিভাগত এই বক্স থকাটো বাধ্যতামূলক কৰা হৈছে। অসম অসামৰিক সেৱাৰ বিষয়া হেমাশ্ৰী হাজৰিকাক এই পদক্ষেপৰ দায়িত্ব অৰ্পন কৰা হৈছে। She box ত মহিলা সকলে কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতনৰ বিৰুদ্ধে বিভাগক অৱগত কৰিব পাৰিব। অসমীয়া, বঙালী আৰু বড়ো ভাষাত কৰ্মচাৰীসকলে অভিযোগ দাখিল কৰিব পাৰিব। পূৰ্বতে কেন্দ্ৰীয় চৰকাৰৰ বিভাগসমূহত She box ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। কিন্তু অসমত এই ব্যৱস্থা প্ৰৱৰ্তন কৰা হোৱা নাছিল। যৌন নিৰ্যাতন প্ৰতিৰোধী আইন ২০১৩ৰ অধীনত প্ৰৱৰ্তন কৰা এই ব্যৱস্থাৰ জৰিয়তে অভিযোগকাৰীয়ে নিজৰ অভিযোগ সন্দৰ্ভত স্থিতিও জানিব পাৰিব

ooooooooo

শ্ৰীভূমি জিলাৰ পাথাৰকান্দি ৰে'লৱে ষ্টেচনত কালিৰে পৰা দুখন দূৰণিবটিয়া ৰে'লগাড়ীৰ ৰখোৱাৰ নতুন ব্যৱস্থা আৰম্ভ কৰা হয়। কালি আনুষ্ঠানিকভাৱে পাথাৰকান্দি ৰে'লৱে ষ্টেচনৰ পৰা পতাকা জোকাৰি এই দুয়োখন ৰে'লগাড়ীৰ যাত্ৰা আৰম্ভ কৰা হয়। ১৩১৭৩/১৩১৭৪ শিয়ালদহ-চাব্ৰুম কাঞ্চনজংঘা এক্সপ্ৰেছ আৰু ১২৫০৩/১২৫০৪ আগৰতলা-এছ এম ভি টি বাংগালুৰু হামচফৰ এক্সপ্ৰেছক পাথাৰকান্দি ৰে'লৱে ষ্টেচনত নতুনকৈ ষ্টপেজ দিয়া হৈছে। এই উপলক্ষে নৰ্থ-ইষ্ট ফ্ৰণ্টিয়াৰ ৰে'লৱেৰ উদ্যোগত পাথাৰকান্দি ৰে'ল ষ্টেচন চৌহদত কালি এখন সভাৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি বদৰপুৰৰ এৰিয়া মেনেজাৰ বীৰেন্দ্ৰ কুমাৰে কয়, যে এই ব্যৱস্থাৰ ফলত পাথাৰকান্দি তথা ইয়াৰ কাষৰীয়া অঞ্চলৰ মানুহৰ বহুদনীয়া দাবী এটা পূৰণ হ'ল। ইয়াৰ পূৰ্বে এই অঞ্চলৰ যাত্ৰীসকলে দূৰণিবটিয়া ৰে'লগাড়ীত যাত্ৰা কৰিবলৈ বদৰপুৰলৈ যাবলগীয়া হৈছিল। এতিয়াৰে পৰা ৰে'ল যাত্ৰীসকলৰ এই অসুবিধা দূৰ হোৱাৰ লগতে সময়ো ৰাহি হ'ব। সভাত অন্যান্য বক্তাসকলে কয়, যে উত্তৰ-পূৰ্বাঞ্চলত ৰে'ল পৰিকাঠামো উন্নয়নৰ ধাৰাবাহিক প্ৰচেষ্টাৰ ফলত এই অঞ্চলৰ যোগাযোগ ব্যৱস্থাত নতুন দিগন্ত উন্মোচিত হৈছে।

ইপিনে, চিৰাঙৰ বিজনী ৰে'ল ষ্টেচনতো কালিৰে পৰা তিনিখন দ্ৰুতগামী তথা দূৰণিবটিয়া যাত্ৰীবাহী ৰে'লগাড়ী ৰখোৱাৰ ব্যৱস্থা কৰা হৈছে। গুৱাহাটী ৰে'লৰে বোৰ্ডৰ মহাপ্ৰবন্ধকে বিগত দুই মাৰ্চত জাৰি কৰা নিৰ্দেশনাত কলকাতা, দিল্লী আৰু চেন্নাইলৈ অহা-যোৱা কৰা তিনিখন ৰে'লগাড়ী বিজনী ষ্টেচনত ৰখোৱাৰ ব্যৱস্থা কৰাত অঞ্চলটোৰ ৰাইজ উৎফুল্লিত হৈ পৰিছে। ৰে'ল মন্ত্ৰালয়ৰ এই সিদ্ধান্তৰ বাবে বিজনী ৰে'লৰে যাত্ৰী অধিকাৰ মঞ্চই আনন্দ প্ৰকাশ কৰিছে।

০০০০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। টি-২০ বিশ্বকাপত ভাৰতে চতুৰ্থবাৰলৈ ফাইনেলত অৱতীৰ্ণ হ'ব আৰু দলটোৱে তৃতীয়বাৰলৈ খিতাপ দখলৰ অভিলেখ ভংগ কৰাৰ লক্ষ্য লৈছে। আনহাতে নিউজিলেণ্ড দলটোৱে টি-২০ বিশ্বকাপৰ ফাইনেলত ট্ৰফী দখলৰ লক্ষ্যৰে দ্বিতীয়বাৰলৈ অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটোৱে যোৱা বৃহস্পতিবাৰে ইংলেণ্ডৰ বিৰুদ্ধে ৰোমাঞ্চকৰ ছেমি ফাইনেলত ৭ ৰানত জয়লাভ কৰে। একেদৰে আন এখন ছেমি ফাইনেলত নিউজিলেণ্ডে ফিন এলেনৰ দ্ৰুততম শতকেৰে দক্ষিণ আফ্ৰিকাক ৯ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০০০০০

বজালী জিলাৰ পাঠশালা ৰে'ল ষ্টেচনত কালিৰেপৰা গুৱাহাটী-দিল্লী অভিমুখী ব্ৰহ্মপুত্ৰ মেইলৰ নতুন ষ্টপেজ আৰম্ভ হৈছে। কালি সন্ধিয়া ৰে'লখন পাঠশালা ৰে'ল ষ্টেচনত দুই মিনিট সময়ৰ বাবে ৰয়। এই উপলক্ষে আয়োজিত এটা কাৰ্যসূচীত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ৰে'লগাড়ীখনৰ ৰখোৱাৰ বাবে সেউজ সংকেত প্ৰদানৰ কৰাৰ লগতে ৰে'লৰ চালকগৰাকীক গামোচাৰে সম্বৰ্ধনা জনায়। স্থানীয় ৰাইজৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি সঁহাৰি জনায় ৰে'ল বিভাগে গ্ৰহণ কৰা এই সিদ্ধান্তৰ বাবে মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কেন্দ্ৰীয় ৰে'ল মন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। এই ব্যৱস্থাই অঞ্চলটোৰ ৰে'ল যাত্ৰীসকলক সকাহ দিয়াৰ লগতে অৰ্থনৈতিক ক্ষেত্ৰতো ইতিবাচক প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে।

০০০০০০০০০

**সমাপ্ত**